
# আনন্দ চন্দ্ৰ আগৰৱালা



**মীনাক্ষি ভূঞা**

**“শোণিত সুবাস”** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

আনন্দ চন্দ্ৰ আগৰৱালা ঃ আনন্দ চন্দ্ৰ আগৰৱালা
লিখক ঃ মীনাক্ষি ভূঞা

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাৱ, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ ৪ মে’ ২০১৪

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাৱ, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাৱৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাৱৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাৱৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাৱৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাৱ আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাৱৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাৱৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাৱ, তেজপুৰ**

# আগকথা

কবি প্ৰত্নতত্ত্ববিদ্ আনন্দ চন্দ্ৰ আগৰৱালা আছিল গমিৰিৰ আগৰৱালা পৰিয়ালৰ প্ৰতিষ্ঠাতা নবৰঙ্গৰামৰ দ্বিতীয় পুত্ৰৰ ফালৰ নাতি আৰু তেওঁৰে প্ৰথম পুত্ৰ হৰিবিলাসৰ ফালৰ পৰা এই নিঃকিন হ'লো নবৰঙ্গৰামৰ পৰি নাতিনী। পৰিয়ালৰ এই যোগসূত্ৰৰ উপৰিও দেউতা, পেহী, দদাইহতঁৰ মুখত আনন্দ চন্দ্ৰৰ ব্যক্তিত্ব আৰু ঘৰুৱা কথাবোৰ শুনিছিলো। নানা প্ৰসঙ্গত তেখেতৰ বিখ্যাত কবিতাবিলাকো আওৰোৱাও হয় যাৰফলত তেখেতৰ লগত এক আত্মিক সম্পৰ্কও গঢ়ি উঠিছিল, তাৰ পৰাই পুথিখন লিখিবলৈ অনুপ্ৰেৰণা পালো। পুথিখনত ইচ্ছাকৃতভাৱে বিভিন্ন জনৰ লিখনিৰ পৰা বিস্তৃত উদ্ধৃতিৰ ব্যৱহাৰ কৰা হৈছে এই বুলিয়েই যে পাঠক সকলে নিৰ্ভৰযোগ্য তথ্য পোৱাৰ উপৰিও এই সাহিত্যিকসকলৰ ভাষাৰ মাধুৰ্য্য খিনিও উপভোগ কৰিব পাৰে।

মোৰ দেউতা প্ৰয়াত কমলা প্ৰসাদ আগৰৱালাৰ পুথি সংগ্ৰহৰ পৰা পোৱা অমূল্য তথ্যপাতি পোৱাত তেওঁলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। ঐতিহ্যপূৰ্ণ অসমীয়া ক্লাৱে যি মহান উদ্দেশ্যৰে এই উদ্যোগ লৈছে তাৰ কৃতকাৰ্য্যতা কামনা কৰি মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ আৰু এই গুৰুভাৰৰ অযোগ্য বুলি জানিও জীৱনী খন লিখাৰ দুঃসাহস কৰিলো।

**মীনাক্ষি ভূঞা**
তেজপুৰ
২৭/০৮/২০১৩

১৯৭৪ চনত অসম সাহিত্য সভাই আনন্দ চন্দ্ৰ আগৰৱালাৰ জন্ম শতবাৰ্ষিকী উলহমালহেৰে উদ্‌যাপন কৰে। বিভিন্ন সভা সমিতি আলোচনা চক্ৰ ইত্যাদিত তেখেতৰ সাহিত্য কৃতিৰ পুনৰ মূল্যায়ণ হোৱাৰ উপৰিও ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে তেখেতৰ সমস্ত ৰচনাৱলী প্ৰকাশ কৰি এক মহৎ কাম সম্পাদন কৰে। এই প্ৰয়াস আছিল সম্পূৰ্ণ স্বতঃস্ফূৰ্ত্ত, বংশ পৰিয়াল বা চৰকাৰী পৃষ্ঠপোষকতাত নহয়। সমগ্ৰ জাতিৰ হৈ অসম সাহিত্য সভাই তেখেতলৈ জনোৱা কৃতজ্ঞতা প্ৰকাশৰ পৰা বুজিব পাৰি যে উনবিংশ শতিকাতে আৰম্ভ হোৱা অসমৰ সংস্কৃতিৰ নৱজাগৰণৰ প্ৰক্ৰিয়াত যি কেইজন মুষ্টিমেয় ব্যক্তিয়ে সৰ্বান্তকৰণেৰে নিজ কৰ্ত্তব্য কৰি গ'ল সেই সকলৰ মাজত কবি আনন্দ চন্দ্ৰও অন্যতম।

সাধাৰণতে সাহিত্যিক বা ভাওনি কোঁৱৰ বা প্ৰত্নতত্ত্বাবিদ বুলিয়েই তেওঁক চিনি পায়। কিন্তু সেইয়া তেখেতৰ সম্পূৰ্ণ পৰিচয় নহয়। তেখেতৰ জীৱন বৃত্তান্ত আজিৰ বা ভৱিষ্যতৰ প্ৰজন্মৰ কাৰণে কিমান প্ৰাসঙ্গিক সেইয়া ফটফটিয়াকৈ ওলাই পৰে জ্যোতি প্ৰসাদে লিখা এই শ্ৰদ্ধাঞ্জলিত।

"তেওঁ বহুতো কাহিনী থৈ গৈছে। আটাইতকৈ ডাঙৰ বস্তু দি গৈছে তেওঁৰ জীৱনৰ চানেকি, যি চানেকিয়ে বল নোপোৱা বাটৰুৱাক বল দিব, বাট হেৰুৱা বাটৰুৱাক বাট দেখুৱাই দিব, আৰু সংসাৰত উটি বুৰি ফুৰা মেধাবী আৰু প্ৰতিভাৱন্ত কোনো দুৰ্ভগীয়াক প্ৰেৰণা আৰু উদ্দীপনা দি হয়তো হেৰাব লগীয়া কোনো প্ৰতিভাৰ বিকশিত কৰি সংসাৰত সি পাবলগীয়াক থানথিত লগাব।" ----- "এনে জীৱন চানেকি আজি দুৰ্কপলীয়া আৰু কামৰ মোৰ নাপাই বিবুধি হোৱা অসমীয়াৰ কাৰণে নিশ্চয়কৈ হীৰামূলীয়া"।

এনে এজন অনন্য প্ৰতিভাৱান ব্যক্তিৰ আনজনলৈ কৰা এই মন্তব্যক ফঁহিয়ালে আমি আনন্দ চন্দ্ৰ মানুহজনৰ এখন সুস্পষ্ট ছবি দেখা পাওঁ যি নিজ চৰিত্ৰবলেৰে মহীয়ান আছিল। এক সফল কৰ্মজীৱন, লগতে সাৰ্বজনীন আদৰ্শৰে পুষ্ট এক জীৱন দৰ্শন। গতিকে এই অনুপম জীৱনৰ প্ৰত্যেকটো দিশ উন্মুক্ত হৈ পৰাটো আমাৰ সামাজিক জীৱনৰ কাৰণে নিশ্চয় প্ৰয়োজনীয়। গতিকে তেওঁৰ জন্মৰ সময় আৰু পৰিবেশ, পৰিয়াল আৰু সমাজ য'ত ডাঙৰ হৈ তেওঁ এক আদৰ্শ পুৰুষ হিচাপে প্ৰতিষ্ঠিত হ'ল সেই বিলাকৰো বিশ্লেষণৰ প্ৰয়োজন আছে।

**পৰিয়ালৰ ইতিহাস ঃ** আনন্দ চন্দ্ৰ বিখ্যাত আগৰৱালা পৰিয়ালত জন্মলাভ কৰিছিল। তেওঁৰ উপৰিপুৰুষৰ ইতিহাস বিচাৰিলে যাব লাগিব ভাৰতবৰ্ষৰ পশ্চিম প্ৰান্তলৈ শৌৰ্য্য বীৰ্য্যৰ প্ৰতীক ৰাজপুত সকলৰ ৰাজস্থান প্ৰদেশলৈ।



তাৰে জুনজুনু অঞ্চলৰ কেড় গাঁৱৰ পৰিয়াল এটা উঠি আহি টাই নামে গাঁৱত সুপ্ৰতিষ্ঠিত হয়। টাই গাৱত তেওঁলোকৰ পৰিয়ালটোক "কেডিয়া" বুলি জনাজাত আছিল। এই টাই গাঁৱতে অতি প্ৰাচুৰ্য্যৰ মাজত হেমৰাজৰ পুত্ৰ নৱৰঙ্গৰাম, আনন্দ চন্দ্ৰৰ ককাদেউতাকৰ জন্ম হয়। কিন্তু স্থানীয় জমিদাৰৰ ৰোষত পৰি তেওঁলোকৰ ভাগ্য বিপৰ্যয় হৈ ধনসম্পত্তিৰ লগতে টাইগাঁওখনো এৰিব লগীয়া হ'ল। সেই সময়ত বিকানীৰ ৰাজ্যৰ অধীনত থকা চুৰুলৈ তেওঁলোক উঠি আহে। ভাগ্যৰ বিড়ম্বনা সহিব নোৱাৰি হেমৰাজৰ মৃত্যু হয়। তেতিয়া নৱৰঙ্গৰ বয়স মাত্ৰ ১৩ বছৰ। চুৰুত তেওঁলোকৰ পৰিয়ালটো আজিও "টাইৱালা" বুলি পৰিচিত হৈ আছে। চুৰুত ব্যৱসায় বাণিজ্যত কিমান সফল হৈছিল তাক জনা নেযায় যদিও এই চুৰুৱেই আছিল তেওঁবিলাকৰ ৰাজস্থানৰ শেষ ঠিকনা।

**অসমলৈ আগমন ঃ** ভাগ্যৰ অন্বেষণত নৱৰঙ্গৰাম পূবলৈ অহাৰ সময়চোৱা আছিল ইতিহাসৰ এক সন্ধিক্ষণ। এফালে অস্তমিত আহোম ৰাজত্বত থকা বিশ্বনাথ গমিৰি অঞ্চল আনফালে অসমৰ নতুন ভাগ্য নিয়ন্তা সাত সাগৰৰ সিপাৰৰ বৃটিছ সকল। পুৰণিৰ অনিশ্চয়তা আৰু নতুনৰ সম্ভাৱনাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে চতুৰ বেপাৰী নৱৰঙ্গৰামে। কেইবাটাও ভাষা, দোৱান শিকি বুজি অসমৰ শেষ স্বৰ্গদেউক সহায় কৰি লগতে বৃটিছৰো আস্থাভাজন হৈ তেওঁ পিছুলৈ ঘুৰি চাব লগীয়া নহ'ল। গমিৰি, কলংপুৰ, ব্ৰহ্মজান লখিমপুৰ জিলালৈকে তেওঁৰ প্ৰতিপত্তি বাঢ়িল - সেয়েহে জ্যোতিপ্ৰসাদে লিখি থৈ গৈছে-

নতুন যুগৰ এক নব পৰিয়াল
গমিৰি গাঁৱৰ অসমীয়া অগ্ৰৱাল
কপালত ভাগ্য আঁকি অসমী মাটিৰে
মনে প্ৰাণে সেৱে ভাষা অতি হেঁপাহেৰে"

সঁচাই যেন নিয়তিয়ে ভাগ্যৰ বিপৰ্যয় কৰি পৰিয়ালটোক টানি আনিছিল অসমলৈ। আৰু অসমৰ ধূলি মাটি জানজুৰিত বিলীন হৈ গ'ল

"তেতিয়াৰ সেই ঘাট
গছলতা বালি বাট
সকলো চিনাকি মোৰ ভাল লাগে দেখিলে
মোকো যেন ভাল পায় গছলতা সকলে"

আনন্দ চন্দ্ৰই বৰ্ণনা কৰিছিল বিখ্যাত "বলম" কবিতাত।

**জন্ম আৰু শৈশৱকাল ঃ** আনন্দ চন্দ্ৰ আগৰৱালা ৰচনাৱালীৰ "পত্ৰলেখা"

শিতানত প্ৰকাশিত চিঠিৰ একাংশত তেওঁ নিজেই নিজৰ জন্ম বৃত্তান্ত বৰ্ণনা কৰিছে -

"দৰং জিলাৰ তেজপুৰ সদৰ মহকুমাৰ অন্তৰ্গত কলংপুৰ মৌজাত মোৰ পৈত্ৰিক ঘৰ। মোৰ পিতৃ দেউতাৰ নাম কাশীৰাম। তেওঁ কলংপুৰ, গমিৰি আৰু বিহালী মৌজাৰ মৌজাদাৰ আছিল। তেওঁৰ ৰাধিকা আৰু শয়নী নামে দুগৰাকী ভাৰ্য্যা আছিল। এলাগী ৰাধিকা আই মোৰ জননী।

১৭৯৬ শকাব্দৰ ভাদমাহত বৃহস্পতিবাৰে অতি পুৱাতে মোৰ বুঢ়ীআই জয়ন্তীৰ ঘৰত মোৰ জন্ম হৈছিল। আগদিনা বুধবাৰে ৰাতি তেওঁৰ চৰা ঘৰত "কীৰ্ত্তন পঢ়োৱা পাতিছিল। ----- ৰাতিপুৱাই অহাৰ লগে লগে শেষ হোৱাত বুঢ়ী আইয়ে আঠুকাঢ়ি ভকতসকলৰ আশীৰ্বাদ লৈ থাকোতেই বৰঘৰত মোৰ জন্ম হৈছিল বুলি আই আৰু বুঢ়ী আইৰ মুখত শুনিছিলো।"

ওপৰোক্ত বৰ্ণনাই আমাৰ সন্মুখত এখন নিভাজ সু সংস্কৃত পৰিবেশ আৰু অসমীয়া বৈষ্ণৱ পৰিয়ালৰে ঐতিহ্য মণ্ডিত সৰল জীৱনৰ ছবি ডাঙি ধৰে যাৰ প্ৰভাৱ জন্মৰে পৰা তেওঁ পাইছিল। শিশু আনন্দৰ ওপৰত মাতৃৰ প্ৰভাৱ কিমান আছিল সেই চিঠিখনতে প্ৰকাশ পাইছে।

"প্ৰথমতে মোৰ আয়ে মোক লিখিবলৈ আৰু পঢ়িবলৈ শিকায়। মোৰ জীৱনত মই যি অলপ উন্নতি কৰিব পাৰিছো তাৰ মূলত ঘাইকৈ মোৰ ধৰ্মপ্ৰাণ মাতৃদেৱীৰ মৰমীয়াল শিকনি আৰু বুজনি। তেওঁ "ৰামায়ণ" "মহাভাৰত" আৰু "কীৰ্ত্তন নামঘোষা" আদি পুথি সুৰলাকৈ জাত লগাই পঢ়ি আৰু অৰ্থ কৈ অনেক সজ উপদেশ দিছিল।" এই ৰাধিকা মাতৃৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধা আৰু ভালপোৱাৰ স্বাক্ষৰ এৰি গৈছে তেওঁৰ সেই বিখ্যাত (অনুবাদ?) কবিতা "মৰমৰ আই"

"কোনে মোক তুলিতালি কৰিলে ডাঙৰ
মৌসনা মিঠা মাতে পাহৰি ভাগৰ

------------------------------------

নিচুকাইছিল মোক নাম গুণ গাই
তেওঁ মোৰ মৰমৰ পূজনীয়া আই

----------------------------------------

মোৰ প্ৰতি এনে যাৰ মৰম অসীম
কেনেকৈ সিজনক মই পাহৰিম ?
চেনেহ ভকতি মোৰ বাঢ়োক সদাই
তযু চৰণত হেৰা মৰমৰ আই।"



মাতৃ আৰু নাৰী জাতিৰ প্ৰতি থকা তেওঁৰ সংবেদনশীলতা আৰু নাৰীক যোগ্য আসন দিয়াৰ যি মনোভাৱ তেওঁৰ আছিল তাক মন কৰিলে আনন্দ আগৰৱালাক আজি একবিংশ শতাব্দীৰ ধ্যান ধাৰণাৰ মানুহ যেন ভাবিবৰ থল আছে। "ঘৰুৱা জীৱনত ঘৈণীৰ কৰ্ত্তব্য" "ব্ৰহ্মযাত্ৰীৰ ডায়েৰী" ইত্যাদি প্ৰবন্ধবোৰ পঢ়িলে আৰু তাৰ মূল বক্তব্যখিনি গ্ৰহণ কৰিব পাৰিলে আজিও সমাজত লিঙ্গ বৈষম্যতাৰ যি নিদাৰুণ আৰু অন্যায় ৰীতি-নীতি, বিশ্বাস আৰু হিংসাৰ ছবি দিনৌ বাতৰিত আহি আছে, হয়তো লাঘৱ হ'ব। ভাৰতীয় পৰম্পৰা আৰু ঐতিহ্যক জীয়াইয়ো যে সমাজ আধুনিকতাৰ ফালে আগবাঢ়িব পাৰে সেই কথা আমি আনন্দ চন্দ্ৰৰ জীৱনৰ পৰা চানেকি ল'ব পাৰো।

**ছাত্ৰ জীৱন ঃ** আনন্দচন্দ্ৰৰ পঢ়াশলীয়া জীৱন আৰম্ভ হৈছিল বৰঙাবাৰীতে। তেখেত ইয়াৰ বিষয়ে লিখি গৈছে - "প্ৰায়ে দহমান বছৰলৈকে বৰঙাবাৰী গাঁৱৰ প্ৰাইমেৰি আৰু মজলীয়া ছাত্ৰবৃত্তি স্কুলত পঢ়িছিলোঁ । তেতিয়া সেই স্কুলত বঙালী পণ্ডিত লোহাৰাম মুখোপধ্যায় আৰু প্ৰসন্ন কুমাৰ চক্ৰৱৰ্ত্তীয়ে বঙলা কিতাপ পঢ়াইছিল আৰু বঙলা ভাষাৰ শিক্ষা দিছিল। পিছে সেই স্কুল উঠি যোৱাত মোৰ আইৰ কথামতে দেউতাই মোক তেজপুৰলৈ লৈ আহে আৰু পৰম শ্ৰদ্ধাৰ হৰিবিলাস বৰদেউতাৰ ঘৰত পঢ়িবলৈ থৈ যায়। মই তাতে থাকি গৱৰ্ণমেন্ট হাইস্কুলত পঢ়িছিলো। পাঠ্যপুথিৰ বাহিৰেও বৰদেউতাৰ পুথিভঁৰালত থকা অনেক সজপুথি আৰু কাকত পঢ়ি মই জ্ঞান আৰ্জিবলৈ সুবিধা পাইছিলো। মই সৰুকালৰে পৰা কবিতা পঢ়িবলৈ ভাল পাইছিলো আৰু কবিতা লিখিবলৈ অভ্যাস কৰিছিলোঁ।"

অকল স্কুলীয়া পাঠ্যক্ৰমতে তেওঁ আৱদ্ধ নাছিল। তেওঁৰ অনুসন্ধিৎসু মনে বিচাৰিছিল জ্ঞান লাভ কৰিবলৈ, সুবিধা পাইছিল কিতাপ পঢ়িবলৈ আৰু আটাইতকৈ প্ৰেৰণাদায়ক আছিল পকীত পোৱা বৰদেউতাকৰ প্ৰভাৱ, ককায়েক বিষ্ণু প্ৰসাদ আৰু চন্দ্ৰ কুমাৰৰ বৌদ্ধিক জীৱনৰ অংশীদাৰ যোৱাৰ আৰু লম্বোদৰ বৰা, কৃষ্ণ প্ৰসাদৰ সাধু সঙ্গ।

তেজপুৰত থকা ছাত্ৰ জীৱনৰ দিনবোৰত কৰা কাৰ্য্যাৱলীও সময়তকৈ আগবঢ়া আছিল। নিজে লিখি যোৱা বিবৰণী মতে সমনীয়া ছাত্ৰ সকলেৰে গঢ়ি তোলা ছাত্ৰ সভাৰ কোনো এক বৈঠকৰ সভাপতিত্ব কৰিছিল মাধৱ চন্দ্ৰ বৰদলৈ ডাঙৰীয়াই য'ত "নববৰ্ষ" আৰু "অসম" নামৰ আনন্দ চন্দ্ৰৰ ৰচিত কবিতা পাঠ কৰা হৈছিল। তেতিয়াই হেনো সভাপতিৰ "সোণ ৰূপৰ মুখেৰে ভৱিষ্যৎ বাণী" কৰিছিল যে "এই ল'ৰাটি এদিন কবি হ'ব।"

সেই একে সময়ছোৱাতে সমনীয়া সকলোৱে মিলি এশ দুকুৰী এটা গীতৰে সন্নিবিস্ত ধৰ্মপুথি প্ৰকাশ কৰে। পুথিখন আছিল "সমসাময়িক যুগৰ এক বিস্ময়।" সাহিত্যৰথী বেজবৰুৱাই এই গীতবোৰ পঢ়ি "জোনাকীৰ" পাতত লিখিছিল "জনদিয়েক পঢ়াশালিৰ ছাত্ৰৰ এনে সৎ আৰু গুৰুতৰ কাৰ্য্যত উদ্যম আৰু পুৰুষাৰ্থ দেখি আমি সচাঁকৈয়ে ৰং পাইছো।"

আনন্দ চন্দ্ৰৰ এই দলবদ্ধ প্ৰচেষ্টাৰ অংশীদাৰ সকলৰ নাম কেইটা উল্লেখ কৰি গৈছে। ব্ৰহ্মানন্দ বৰকাকতী, নবীনচন্দ্ৰ বৰদলৈ, আনন্দ চন্দ্ৰ আৰু কৃষ্ণপ্ৰসাদ আগৰৱালা (জ্যোতি প্ৰসাদৰ দদায়েক অকালতে মৃত্যু হৈছিল)। গান বিলাকৰ অধিকাংশই আছিল ব্ৰহ্মসঙ্গীতৰ ভাঙনি। সৰহখিনি অনুবাদ কৰিছিল কৃষ্ণপ্ৰসাদে।

আজিৰ দিনত দকৈ ভাবিলে তেওঁবিলাকৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ ভাষাৰ নাটনি কাৰণ এই ছাত্ৰ কালতেই আনন্দ চন্দ্ৰ আৰু কৃষ্ণপ্ৰসাদে গুণাভিৰাম বৰুৱাৰ প্ৰথম পুত্ৰ কৰুণাভিৰাম বৰুৱাই লগলাগি এখন শিশুৰ উপযোগী কাকতৰ পৰিকল্পনা হাতত লয় আৰু অসমৰ প্ৰথম শিশু পাঠ্য "ল'ৰা বন্ধু" প্ৰকাশ হয়। ৩।৪ টা মান সংখ্যা প্ৰকাশ হৈ হয়তো পাঠকৰ অভাৱত প্ৰকাশ বন্ধ হৈ যায়।

কিন্তু কলেজীয়া জীৱন যদিও (সেই কালত সমস্ত ভাৰতবৰ্ষক নেত্ৰীত্ব দিয়া বৌদ্ধিক জগতৰ মহাতীৰ্থ) কলিকতা মহানগৰীত আৰম্ভ হয় তথাপিও ব্যৰ্থতাৰ সন্মুখীন হয়। যদিও ১৮৯১ চনত তেজপুৰ গৰ্ণমেন্ট হাইস্কুলৰ পৰা সুখ্যাতিৰে এণ্ট্ৰেন্স পাছ কৰি ২০ টকীয়া জলপানি ল'বলৈ সমৰ্থ হয় আৰু কলিকতাৰ মেট্ৰোপলিটান ইষ্টিটিউচনত ভৰ্ত্তি হৈ এফ. এ. পঢ়ে। কিন্তু এফ.এ পৰীক্ষাত তেওঁ উত্তীৰ্ণ হ'ব নোৱাৰিলে।

মন কৰিবলগীয়া কথা যে ৰবীন্দ্ৰনাথকে ধৰি জ্যোতিপ্ৰসাদ আৰু কেইবাজনেও আনুষ্ঠানিক শিক্ষাত সুফল দেখুৱাব নোৱাৰিছিল। বৰ্ত্তমান যুগৰ চিন্তানায়ক নীৰদ চৌধুৰীয়েও B.A. পৰীক্ষাত বিশ্ববিদ্যালয়ৰ প্ৰথম হৈ পাচ কৰাৰ পিচত M.A. পৰীক্ষাত অকৃতকাৰ্য্য হৈছিল। এনে বহুত উদাহৰণ আমি পাওঁ যে এই আনুষ্ঠানিক পৰীক্ষা বিলাকৰ প্ৰমাণ পত্ৰ নথকা ব্যক্তি সকলেই পিছলৈ সমাজ জীৱনৰ চিন্তা উত্তৰণত বা সাৰ্বজনীন ক্ষেত্ৰত চিৰস্থায়ী প্ৰভাব পেলায় যায়। যি হওঁক এই ফলাফলে তেওঁক বিচলিত কৰে। কিছুদিন বৰদেউতাকৰ ব্যৱসায়ত সহায় কৰে কিন্তু ব্যৱসায় ক্ৰমে পৰি অহাত বৰদেউতাকে বন্ধু গোবিন্দ বেজবৰুৱাৰ ওচৰলৈ পঠাই দিয়াত শিৱসাগৰৰ বেজবৰুৱা হাইস্কুলত প্ৰায় এবছৰ দিন শিক্ষকতা কৰে।



**কৰ্মজীৱন, বিবাহ ও অৱসৰ ঃ** ইতিমধ্যে দেউতাক কাশীৰামৰ ককায়েক হৰিবিলাসৰ লগত মনোমালিন্য বেছি হয়। দেউতাকৰ অৱস্থাও ক্ৰমে পৰি আহে। মনত আছিল উচ্চ আকাঙ্খা। ভাল জীৱিকা অৰ্জনৰ কাৰণে প্ৰবল অভিলাষ। শিৱসাগৰত মন ন'বহিল। ঘৰলৈ ঘুৰি আহিল। দেউতাকে তেতিয়া কণিষ্টবলৰ চাকৰিত সোমোবলৈ উপদেশ দিলে। তেওঁৰ কিন্তু মুঠেও মন নাই। জ্যোতিপ্ৰসাদে এই বিষয়ে লিখিছে "দেউতাকে ক'লে 'তই সোমা মই তোক আশীৰ্বাদ কৰিছো। তোৰ ইয়াতে ভাল হ'ব। উচ্চ শিক্ষিত ডেকা। অতি সোনকালে উন্নতি কৰিব পাৰিবি।" পিতৃৰ আদেশ আৰু আশীৰ্বাদ মূৰত তুলি লৈ শিক্ষাভিমানী, বংশাভিমানী, মেধাবী আনন্দ চন্দ্ৰই ভৱিষ্যতৰ উজ্জ্বল কল্পনা লৈ সময়ত ফাল যেন হৈ ওলাবলৈ বেজীটো যেন হৈ হেড কনিষ্টবলৰ কামত ভৰ্ত্তি হ'ল।" মাত্ৰ ছমাহ এই কামত থাকি ছাব ইঞ্চপেক্টৰৰ পদলৈ উঠিল। বিচক্ষণতা, কৰ্মকুশলতা, আভিজাত্য আৰু জ্ঞান-পিপাসু আনন্দ চন্দ্ৰৰ বিশিষ্টতাক চিনি উলিয়াবলৈ গুণৰ মোল বুজা বৃটিছসকলৰ সময় নেলাগিল। দোপতদোপে ওপৰলৈ উঠি চিনিয়ৰ পুলিচ চুপাৰিন্তেণ্ডেন্ট পদত নিযুক্ত হোৱা আনন্দ চন্দ্ৰই আছিল তেতিয়াৰ ইম্পিৰিয়েল পুলিচ সেৱাৰ প্ৰথম অসমীয়া ইম্পিৰিয়েল অফিচাৰ। ৩৫ বছৰ কাল সুখ্যাতিৰে কাম কৰি গৰ্ণমেন্টৰ খিতাব আদি পাই ১৯৩০ চনত স্বেচ্ছাই অবসৰ লয়।

১৯৩০ চনৰ পৰা মৃত্যুৰ সময়লৈকে (১৯৩৯ চন) তেওঁ বিভিন্ন ৰাজহুৱা দায়িত্ব পালন কৰি যায়। তেজপুৰৰ অনাৰেৰি মেজিষ্ট্ৰেট, তেজপুৰ মিউনিচিপালিটিৰ সভাপতি (তেওঁ ৰোওৱা নাৰিকলৰ শাৰী পদুম পুখুৰীৰ দাঁতিত বহুদিনলৈ আছিল, হয়তো দুডালমান এতিয়াও আছে।) তাৰোপৰি অসম সাহিত্য সভাৰ সভাপতি পদৰেও তেওঁক সন্মান জনোৱা হয়।

ব্যক্তিগত জীৱনত স্বৰ্গীয় লম্বোদৰ বৰাৰ ককায়েক হৰিচৰণ বৰাৰ নুমলীয়া জীয়েক অপৰাজিতাৰ লগত শুভপৰিণয় হৈছিল। এটি কন্যা সন্তান জন্ম হৈ মৰাৰ পিছৰ পৰাই তেখেতৰ ভাৰ্য্যা বহুতদিন ৰোগ শৰ্য্যাত পৰি আছিল। অনেক প্ৰকাৰ চিকিৎসা আদি কৰাত তেওঁ সুস্থ হ'ল, কিন্তু আৰু কোনো সন্তান নহ'ল। ভায়েকৰ পুত্ৰ দিপ্তীৰ শিক্ষাদীক্ষাৰ ভাৰ লৈছিল।

আনন্দ চন্দ্ৰৰ বৰদেউতাকৰ পৰিয়ালত সমসাময়িক ৰাজনীতিৰ বাতাবৰণে যথেষ্ট প্ৰভাৱ পেলাইছিল। কেইবাজনেও বৃটিছৰ শাসনৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিল। এই ক্ষেত্ৰত আনন্দ চন্দ্ৰ বৃটিছ শাসনৰ পূৰ্ণ সমৰ্থক আছিল। "ঈশ্বৰে ৰজাক কুশলে ৰাখক" কবিতাত ইংলণ্ডৰ সম্ৰাটক উদ্দেশ্য কৰি লিখিছে যদিও বৃটিছৰ সু-শাসন, ন্যায়বিচাৰ, ধৰ্মনীতি আৰু জ্ঞানৰ পোহৰ

বিলোৱা কাৰ্য্য বিলাকৰহে গুণাগুণ কৰিছে। অসমৰ জাতীয় চৰিত্ৰ গঠনত ইংৰাজ জাতিৰ কিছুমান চৰিত্ৰৰ বৈশিষ্ট্য বিলাক আহৰণ কৰিবলৈ তেওঁ নানা কবিতা আৰু অন্য লিখনিৰ দ্বাৰা চেষ্টা কৰিছিল যাতে দৃঢ়তা, নিষ্ঠাৰে জাতিটোৱে সমস্যাৰ সন্মুখীন হ'ব পাৰে। বৃটিছ শাসনৰ নিজেই অংশীদাৰ হৈ তেওঁলোকৰ সান্নিধ্যত থাকি তেওঁলোকৰ স্বভাৱ চৰিত্ৰৰ আভাষ পাইছিল আৰু শ্ৰদ্ধাও কৰিছিল। এই সম্পৰ্কত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নগেন শইকীয়াই লিখিছে-

''প্ৰসঙ্গক্ৰমে উল্লেখ যোগ্য আধুনিক অসমীয়া সাহিত্যৰ নিৰ্মাতা আৰু জাতীয় চেতনাৰ উদ্‌গাতা সকলৰ প্ৰায় সকলোৰে দৃষ্টি নিবন্ধ আছিল ঘাইকৈ অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ প্ৰতিহে। তেওঁলোকে ততালিকে বৃটিছ শাসনৰ পৰা মুক্তিলাভৰ আকাঙ্খা কৰা নাছিল। তেওঁলোকৰ এই দৃষ্টিভঙ্গী শুদ্ধই হওক বা ভুলেই হওক তাৰ বিচাৰ সম্পূৰ্ণ বেলেগ কথা। কিন্তু তেওঁলোকে আমাৰ ভাষা সাহিত্যৰ আৰু জাতীয়তাৰ যিটো বুনিয়াদ গঢ়ি দি গ'ল তাৰ বাবে তেওঁলোক চিৰস্মৰণীয় হৈ ৰ'ব। এই সকলৰ ভিতৰত আনন্দ চন্দ্ৰ আগৰৱালাৰ নাম জিলিকি থাকিব।

**ব্যক্তিত্ব ঃ** একাগ্ৰতা, স্থিৰ লক্ষ্য, পৰিশ্ৰম, নিষ্ঠা এই আটাইবিলাক গুণৰ সমাবেশ আমি তেখেতৰ ছাত্ৰ জীৱনতে প্ৰত্যক্ষ কৰিব পাৰো। লগতে দেশৰ প্ৰতি কৰ্ত্তব্যবোধ, ভাষা-জননীৰ সেৱা আৰু এটা সংস্কৃতিবান জাতি গঠনৰ অভিপ্ৰায়ে তেওঁৰ জীৱনক গঢ় দিলে আমি সেইয়া তেওঁৰ ছাত্ৰ জীৱনতে স্পষ্টকৈ দেখা পাও। তেওঁৰ ব্যক্তিত্বৰ বিষয়ে বহুজনৰ পৰা গম পোৱা যায়। মৰমীয়াল, মোহনীয় আৰু সৰল ব্যক্তিত্বৰ বিষয়ে তেওঁৰ নিকট সম্বন্ধীয় পৰাও জনা যায়। বাগ্মীবৰ নীলমণি ফুকনৰ শতবাৰ্ষিকী অনুষ্ঠানত উচৰ্গিত লেখাত পাওঁ।

''আনন্দ চন্দ্ৰ সদায় একেৰকম হাস্যবদনেই আছিল। নিজক সদায় পাছত থৈ আনক আগবঢ়াই দি তেওঁ যথাৰ্থতে আনন্দ উপভোগ কৰিছিল। তেওঁৰ কথোপকথনেই তেওঁৰ অমায়িক চৰিত্ৰৰ হুবহু অঙ্কণ আছিল। তেওঁ কিমানখিনি কাব্য গ্ৰন্থাদি প্ৰণয়ন কৰিলে তাৰ লেখ নললেও তেওঁ যে খোজে কাটলে মাতে কথাই, ভাব প্ৰকাশ ভঙ্গীত, প্ৰাকৃতিক সৌন্দৰ্য্য বোধত আৰু প্ৰাকৃতিক পৰিবেশৰ মাজত শোণিতপুৰৰ নৈৰ, জান জুৰিত তৰঙ্গত ঢৌৱে ঢৌৱে নাদুৰি সাতুৰি নিজে যে ভাল পাইছিলেই সেই নদ-নদী জানজুৰি বিলাককো কাব্যৰস দান কৰি তাৰ পানী কেইচলুকো সুস্বাদ কৰি তুলিছিল। সেই কথাও স্মৰণীয় হৈ থাকিব।''



আন্তৰিকতা, সৌন্দৰ্য্যবোধ লগতে ঈশ্বৰ প্ৰদত্ত প্ৰতিভাৰ সদ্ব্যৱহাৰ কৰি আনন্দ চন্দ্ৰৰ মানসিক উত্তৰণ হোৱাটো স্বাভাৱিক পৰিণতি আছিল।

**সাহিত্যকৃতি ঃ** অসমৰ প্ৰথিতযশা সাহিত্যিক সমালোচক, আনন্দ চন্দ্ৰ ৰচনাৱলীৰ কবিতা সমগ্ৰ সংকলন আৰু সম্পাদনা কৰা মহেন্দ্ৰ বৰা ডাঙৰীয়াই আগৰৱালাৰ প্ৰথম কবিতা পুথি দুখনৰ বিষয়ে লিখোতে কৈছিল'' মঞ্জুল সুৰৰ মধুৰ ধৰণৰ সজ কথা'' কবিতাখিনিত প্ৰকাশ পাইছে। কাৰণ বৰদেউতাকৰ ঘৰত পঢ়া ''সজপুথি'' আৰু ''দূৰদূৰণি ৰং'' সেই কবিতা কেইটাত মহেন্দ্ৰ বৰাই দেখা পাইছে। সেই পুথিভঁৰালত কি পুথি আছিল তাক জানিবৰ উপায় নাই। কিন্তু অনুমানহে কৰিব পৰা যায়। হয়তো ইংৰাজী শিশু জ্ঞান কোষ বা হিন্দী কিতাপো আছিল। মহেন্দ্ৰ বৰাৰ ভাষাৰে ''মন পলসত সেইবোৰ সজ কথাৰ কঠিয়া পৰি যিখিনি শইচ ঠন ধৰি উঠিছিল ''সেইখিনিক লৈয়েই সৃষ্টি হৈছিল তেওঁৰ প্ৰথম কবিতাৰ পুথি ''জিলিঙনি''।

সাহিত্যিক হিচাপে যদিও তেখেত ''ভাঙনি কোঁৱৰ'' বুলিহে জনাজাত। আধুনিক সমালোচক সকলৰ মতে তেওঁৰ এই উপাধিয়ে তেওঁৰ কাব্যিক প্ৰতিভাৰ এটা দিশকহে বেছি প্ৰচাৰ কৰিলে। তেওঁৰ ভাঙনি কবিতাৰ তুলনা পাবলৈ টান। নিভাজ অসমীয়া ভাষা প্ৰয়োগ কৰিও তেওঁ মূল কবিতাৰ সৌন্দৰ্য্য হানি কৰা নাই। অসমৰ প্ৰখ্যাত কবি, সাহিত্যিক প্ৰৱন্ধকাৰ আৰু ৰাজনীতি জগতৰ প্ৰবাদপুৰুষ হেম বৰুৱা ডাঙৰীয়াই তেখেতৰ ভাঙনি সাহিত্য নামৰ প্ৰবন্ধত আনন্দ আগৰৱালাক এনেদৰে সুঁৱৰিছে ''আচলতে ভাঙনি সাহিত্যৰ ওজা হৈছে আনন্দ আগৰৱালা আৰু যতীন দুৱৰা।------- জিলিঙনি কবিতা পুথিত কেইবাটাও ভাঙনি কবিতা আছে। প্ৰকৃততে ভাঙনি বুলি স্বীকাৰ নকৰা হ'লে এই কেইটা ভাঙনি বুলি কোৱা টান। ইয়াৰ ঘাই কাৰণ হৈছে কবিৰ শিল্পী প্ৰতিভা। ----- চাৰ্লচ মেকেৰ ''টুডে'' আৰু ''টুমৰোৰ ভাঙনি আজি আৰু কালি'' পঢ়িলে মৌলিক কবিতা যেনহে লাগে। সেই একে প্ৰবন্ধতে হেমবৰুৱাই লিখিছে ''সুখৰ ঠাই'', ''জীৱন সঙ্গীত'', ''চহা আৰু পণ্ডিত''ৰ সমকক্ষ কবিতা অসমীয়া সাহিত্যত বিৰল। মূলৰ সৌন্দৰ্য্য ৰক্ষা কৰাৰ উপৰিও কবিতা কেইটাই এটা নতুন সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে। মূলৰ তুলনাত ভাঙনি বেছি সজীৱ হৈছে। আগৰৱালা ভাল কবি, গতিকে ভাল অনুবাদকো।

Psalm of Life কবিতা আছিল সেই যুগৰ ''নতুন দৰ্শন'' - ''আশাৰ দৰ্শন'' আধ্যাত্মিক আৰু বাস্তৱৰ সামঞ্জস্য ঘটাই কবিতাটোৱে জন মানসত

এক স্থায়ী আসন লাভ কৰিছে। ''শোকৰ চকুলো টুকি দুধাৰি চকুলো মচি নকবা জীৱন মিছা নিশাৰ সপোন'' বা মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ আমিও গঢ়িব পাৰো বা ''ফলাফল দাতা বিভূৰ হাতত'' এই শাৰীবোৰ আজিও বিভিন্ন সময়ত আওৰোৱা হয়। বৈষ্ণৱ সাহিত্যৰ সুৰ এই অনুবাদ কৰা বিদেশী কবিতা সমূহত ধ্বনিত হৈছে বুলিও আলোচনা হৈছে। সমালোচকৰ পৰিভাষাত তেওঁৰ বিদেশী মূলক কবিতাবোৰ অনুবাদ নহয় (ট্ৰান্সলেচন) অধিসৃষ্টিহে (ট্ৰান্সক্ৰিয়েচন) সহজ ভাষাত কৰ'লৈ গ'লে এইবোৰক আলহী কবিতাৰ আখ্যা দিব পাৰি (মহেন্দ্ৰ বৰা, আনন্দ চন্দ্ৰ গ্ৰন্থাৱলী ১১ পৃষ্ঠা।)

গতিকে ১৯৭৪ চনত প্ৰকাশিত আনন্দ চন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলীত কবি আনন্দ চন্দ্ৰ হিচাপেহে উল্লেখ কৰা হৈছে কিয়নো মহেন্দ্ৰ বৰাৰ মতে ''বলম'' ''পাগেঁশৈ'', ''জোন'', ''দেবকন্যা মানবী বেশেৰে'', ''চুমা'', ''ছবি'' এই ছটা মৌলিক কবিতা ''যুগান্তৰৰ কাৰণে অসমীয়া কাব্য সাহিত্যৰ অক্ষয় সম্পদ হৈ ৰ'ব।

সাহিত্যিক জীৱনৰ আৰম্ভণিতে কবিতা সৃষ্টিত লিপ্ত হৈ থকা আনন্দ চন্দ্ৰ মানুহজন পিছলৈ ভাষা তত্ব, জাতি তত্ব, পুৰাতত্ব আদি বিভিন্ন বিষয়কলৈ গৱেষণাৰে আৰম্ভ কৰি ভালেমান প্ৰবন্ধ লিখি থৈ গৈছে।

তেওঁ সংস্কৃত ভাষাৰ জ্ঞান আছিল, অনুসন্ধিৎসু মনৰ গৰাকী আছিল লগতে আছিল নিজৰ দেশ আৰু ঐতিহ্যক লৈ গৰ্বিত। ঋকবেদ, কালিকা পুৰাণ, যোগিনী তন্ত্ৰ আদি পুথি অধ্যয়ন কৰি অতীতক আধুনিক ব্যাখ্যাৰে ভৱিষ্যত প্ৰজন্মক নিজৰ পৰম্পৰা আৰু অতীতক বুজিবলৈ অহোপুৰুষাৰ্থ কৰি লিখা বিলাক তেওঁৰ ৰচনাৱলীৰ পাতে পাতে বিস্তৃত হৈ আছে।

অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ, আধ্যাত্মিক প্ৰবন্ধপাতি, অসমীয়া আখৰ জোটনিৰ নিয়ম, অসমীয়া আদিপাঠ, কোমল পাঠ ইত্যাদি আজি আমাৰ জাতীয় সম্পদৰূপে পৰিগণিত হৈছে। সেইকালৰ তেজপুৰৰ মহান ব্যক্তি সকলৰ অবদানৰ বিষয়েও তেওঁ লিপিবদ্ধ কৰি গৈছে। শিলচৰত কৰ্মৰত অৱস্থাত ''পুলিচ ক'ড'' নামে আৰক্ষী সকলৰ আইন আৰু কাৰ্য্যবিধি বিষয়ক এখন পুথি ইংৰাজী ভাষাত লিখি প্ৰকাশ কৰিছিল।

মহিলাৰ শিক্ষাৰ বিষয়ে তেওঁ যে দকৈ চিন্তা কৰিছিল তাক কেইবাটাও লিখাৰ পৰা বুজিব পৰা যায়। মহিলাৰ প্ৰতি তেওঁৰ দৃষ্টিভঙ্গী উদাৰ আছিল আৰু মহিলা গৰাকী প্ৰকৃত স্ত্ৰী, মাতৃ, সমাজ হিতৈষিণী হ'বলৈ যে শিক্ষাৰ প্ৰয়োজন তাক ভালকৈ বুজি পাইছিল। 'ব্ৰহ্মযাত্ৰীৰ ডায়েৰী'ত ব্ৰহ্মদেশত ছোৱালী শিক্ষা অনুষ্ঠানলৈ দলে দলে যোৱা দেখি আক্ষেপ কৰি



লিখিছিল ''আজি উনৈশ শতিকাৰ জ্ঞান বিজ্ঞানৰ পোহৰত জগতৰ প্ৰায় সকলো দেশ জিলিকি উঠিছে। কিন্তু বৰ দুখৰ বিষয় যে আমাৰ দেশৰ হেজাৰ হেজাৰ তিৰোতা বিলাক আজিলৈকে অজ্ঞান আন্ধাৰত পৰি থাকিল। তাতোকৈ দুখৰ বিষয় এইযে আগলৈ উঠি অহা কুমলীয়া ছোৱালী বিলাকৰো শিক্ষাৰ একো ভাল দিহা হোৱা নাই।'' তেওঁৰ এই উদ্বেগৰ নিমিত্তেই হয়তো তেখেতৰ মৃত্যুৰ কিছুদিনৰ পূৰ্বে প্ৰয়াত কমলা প্ৰসাদক সদ্য স্থাপিত তেজপুৰ ছোৱালী হাইস্কুলক তেওঁৰ ঘৰ সম্পত্তি দান কৰিবলৈ এখন ইচ্ছা পত্ৰ তৈয়াৰ কৰিবলৈ অনুৰোধ কৰিছিল। সেইমতে চুক্তিপত্ৰ বা দানপত্ৰত চহী কৰিবলৈ দিন ঠিক কৰা হ'ল। কিন্তু অপৰাজিতা আগৰৱালাই সজোৰে প্ৰতিবাদ কৰাত সেইদিনা আৰু চহী কৰা নহ'ল। কিন্তু তেওঁৰ মৃত্যুৰ প্ৰায় দুকুৰি বছৰৰ পিছত ছোৱালী স্কুলৰ ওচৰত থকা ই. এ. চি. ৰ গৱৰ্ণমেন্ট কোৱাৰ্টাৰটো হাইস্কুলক দি আনন্দ চন্দ্ৰ আগৰৱালাৰ বাসভৱনটো নিজ হাতলৈ আনে। গতিকে আওপাকে হ'লেও তেওঁৰ মনোকামনা পূৰ্ণ হ'ল। পিছত কমলা প্ৰসাদেও সন্তোষ প্ৰকাশ কৰে কাৰণ তেওঁ ইয়াৰ পৰিকল্পনাত ব্যক্তিগত ভাৱে জড়িত হৈ পৰিছিল। বিশাল ব্ৰহ্মপুত্ৰৰ পাৰৰ পাহাৰত থকা এই আটকধুনীয়া বঙলা ঘৰটোত বৰ্ত্তমান উত্তৰ সংমণ্ডলৰ আয়ুক্তৰ বাসভবন হিচাপে ব্যৱহাৰ কৰা হৈছে। অলপতে বৰ্ত্তমানৰ আয়ুক্ত সংস্কৃতিবান স্বপ্নীল বৰুৱাই ''আনন্দভৱন'' নামাকৰণ কৰি তেখেতৰ স্মৃতি যুগমীয়া কৰাৰ প্ৰচেষ্টা হাতত লৈছে।

তেখেতৰ ১৯২০ চনতে প্ৰকাশিত ''জিলিকনি'' আৰু বাকী পাঠ্যপুথিৰ সকলো স্বত্ব, উপস্বত্ব ডিব্ৰুগড়ৰ জৰ্জ ইনষ্টিটিউচনক দান কৰিছিল। বহুদিন ধৰি ইয়াৰ লাভৰ ধনেৰে সেই হাইস্কুলখনৰ পুঁজিক অলপ সকাহ দিব পাৰিছিল।

নিজে জীৱনত সুপ্ৰতিষ্ঠিত হৈয়ো দহৰ কাৰণে, জাতিৰ কাৰণে , দেশৰ কাৰণে আজীৱন ব্ৰতী হৈয়ো তাৰিখৰ শেষ চিঠিখনত লিখিছে ''জীৱনৰ সন্ধিয়া পৰত ভাবিছো, ভালেখিনি অমূল্য সময় অবাবত নিয়ালো।''

আনন্দ চন্দ্ৰ আগৰৱালাই বুজি পাইছিল যে স্বাধীনতাক ৰক্ষা কৰিবলৈ, স্বাধীনতাক প্ৰকৃত ভাবে উপলব্ধি কৰিবলৈ লাগিব মাতৃভূমিৰ প্ৰতি নিষ্ঠা, ত্যাগ আৰু অকুণ্ঠ শ্ৰদ্ধা।১৯৩৯ চনত এইজনা বহুমুখী প্ৰতিভাধৰ ব্যক্তিয়ে ইহলীলা সম্বৰণ কৰে আৰু আমাৰ কাৰণে এৰিথৈ গ'ল এক মানবীয় প্ৰমূল্যবোধেৰে উজ্জীৱিত বিৰল জীৱনৰ চানেকি।